# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI

0000000000

**Date : 12-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

অপাৰেশ্বন সিন্দুৰ কেৱল এটা নাম নহয়, বৰঞ্চ এই অভিযান হৈছে ৰাষ্ট্ৰৰ সামুহিক আবেগৰ এটা শক্তিশালী প্ৰতীক। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অপাৰেশ্বন সিন্দুৰ সন্দৰ্ভত দেশবাসীক উদ্দেশ্যি দিয়া ভাষণত এই কথা উল্লেখ কৰি কয়, যে সিন্দুৰ অভিযান হৈছে ন্যায়ৰ অখণ্ড প্ৰতিজ্ঞা। তেওঁ কয়, যে চাৰ্জিকেল ষ্ট্ৰাইক আৰু এয়াৰ ষ্ট্ৰাইকৰ পাছত অপাৰেশ্বন সিন্দুৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ নতুন নীতি। এই অভিযানে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজখনক এটা নতুন সংজ্ঞা দিলে আৰু ভাৰতৰ বাবে এয়া হৈছে **নিউ নৰমেল**। তেওঁ কয়, যে কোনো ধৰণৰ পাৰমানৱিক হুমকি আৰু সন্ত্ৰাসবাদী আক্ৰমণ সহ্য কৰা নহ'ব, অন্যথা ভাৰতৰ যথাযোগ্য প্ৰত্যুত্তৰৰ সন্মুখীন হ'ব লাগিব। সন্ত্ৰাসবাদীক প্ৰশ্ৰয় দিয়া অথবা সহায় কৰা সকলকো সন্ত্ৰাসবাদীৰ শাৰীতেই ধৰা হ'ব বুলিও তেওঁ কয়। সশস্ত্ৰ বাহিনীয়ে এই অভিযানৰ জৰিয়তে এশৰো অধিক সন্ত্ৰাসবাদীক নিঃশেষ কৰে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে ভাৰতে সন্ত্ৰাসবাদীৰ মূল কেন্দ্ৰটোকে ধবংস কৰিলে বুলি মন্তব্য কৰে। তেওঁ কয় যে সন্ত্ৰাসবাদক নিৰ্মূল কৰিবৰ বাবে ভাৰত চৰকাৰে সেনা বাহিনীক সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰিছে আৰু আজি প্ৰতিটো সন্ত্ৰাসবাদী তথা সন্ত্ৰাসবাদী সংগঠনে দেশৰ জিয়ৰী -ভগ্নীৰ মৰ্যাদা হানি কৰিলে কেনেধৰণৰ পৰিণতি হ'ব পাৰে সেয়া ভালদৰে বুজি পাইছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এই যুগ যুদ্ধৰ নহয়, কিন্তু এই যুগ সন্ত্ৰাসবাদৰো নহয়। সন্ত্ৰাসবাদী আন্তঃগাথনি ধবংস কৰাৰ বাহিৰে পাকিস্তানৰ আন একো উপায় নাই বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ভাৰত আৰু পাকিস্তানৰ মাজত পৰৱৰ্তী সময়ত আলোচনা হলে কেৱল সন্ত্ৰাসবাদ আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ সন্দৰ্ভতহে আলোচনা হ'ব বুলি শ্ৰীমোদীয়ে স্পষ্ট কৰি দিয়ে। তেওঁ কয়, যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাই এখন উন্নত বিশ্বৰ নিশ্চয়তা দিয়ে। তেওঁ লগতে পাকিস্তানী সেনা আৰু পাকিস্তান চৰকাৰে যিদৰে সন্ত্ৰাসবাদৰ পোষকতা কৰি আহিছে, ইয়ে এদিন দেশখনৰ ধবংসৰ কাৰণ হ'ব বুলি সতৰ্ক কৰি দিয়ে।

প্ৰধানমন্ত্ৰীয়ে সশস্ত্ৰ সেনা, চোৰাংচোৰা সংস্থা আৰু বিজ্ঞানীসকলক প্ৰণাম জনাই সেনাৰ এই পৰাক্ৰম আৰু সৌৰ্য্য দেশৰ প্ৰতিগৰাকী মা-ভগ্নী আৰু জিয়ৰীৰ প্ৰতি সমৰ্পন কৰে।

০০০০

বায়ু সেনাৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধান এয়াৰ মাৰ্ছেল এ কে ভাৰতীয়ে কয়, যে সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদক সমৰ্থন কৰা আন্তঃগাথনিৰ বিৰুদ্ধেহে ভাৰতে যুঁজ দিছিল, পাকিস্তানী সেনাৰ সৈতে নহয়। পাকিস্তানী সেনাই এই ক্ষেত্ৰত হস্তক্ষেপ কৰি ভাৰতীয় সশস্ত্ৰ বাহিনীক প্ৰত্যুত্তৰ দিবলৈ বাধ্য কৰোৱাটো দুখৰ বিষয় বুলি সঞ্চালকপ্ৰধানগৰাকীয়ে মন্তব্য কৰে। নতুন দিল্লীত আজি স্থলসেনা, আৰু নৌসেনাৰ ডিজিএমঅ'ৰ উপস্থিতিত অপাৰেশ্বন সিন্দুৰ সন্দৰ্ভত এখন সংবাদ মেলত অংশ লৈ এয়াৰ মাৰ্ছেলগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ সেনা বাহিনীয়ে এই অভিযানৰ সময়ত কেনেদৰে দেশৰ অসামৰিক লোক আৰু সামৰিক আন্তঃগাথনিৰ ক্ষতি পাৰ্যমানে কম কৰে সেই সন্দৰ্ভত সবিশেষ প্ৰকাশ কৰে। ভাৰতৰ কেইবাতৰপীয়া আৰু সংহত বায়ু সেনা প্ৰতিৰক্ষা ব্যৱস্থাৰ

বিষয়েও বিষয়াগৰাকীয়ে উল্লেখ কৰে। পাকিস্তানে বহু সংখ্যক ড্ৰোন আৰু মানৱবিহীন যুদ্ধ বিমানেৰে আক্ৰমণ কৰাৰ কথা প্ৰকাশ কৰি শ্ৰীভাৰতীয়ে কয়, যে এই আক্ৰমণক সু-প্ৰশিক্ষিত বায়ু সেনাৰ জোৱান তথা থলুৱাভাৱে বিকশাই তোলা প্ৰযুক্তিৰ জৰিয়তে প্ৰতিহত কৰা হয়।

০০০০

পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ আজি দ্বিতীয় দিনা বিভিন্ন জিলাত বিজেপি আৰু ইয়াৰ সহযোগী দলসমূহে শক্তিশালী অগ্ৰগতি লাভ কৰে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি কেইবাখনো জিলাত বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। বঙাইগাঁও জিলাৰ মুঠ ৬৫ খন আঞ্চলিক পঞ্চায়ত আৰু ১২ খন জিলা পৰিষদত বিজেপি আৰু ইয়াৰ মিত্ৰজোঁটে গৰিষ্ঠ সংখ্যক আসন দখল কৰে। যোৰহাট বিধানসভা সমষ্টিত ১৬ খন জিলা পৰিষদৰ আটাইকেইখনতে বিজেপি মিত্ৰজোঁটে জয়লাভ কৰে। সমষ্টিটোৰ ৮৬ খন আঞ্চলিক পঞ্চায়তৰ ৮৩ খনত বিজেপি প্ৰাৰ্থী বিজয়ী হৈছে। কামৰূপ জিলাৰ মুঠ ২৪ খন জিলা পৰিষদৰ আসনৰ ২২ খনত বিজেপিয়ে জয়লাভ কৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০

অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগে প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ডং বাণীকান্ত কাকতি মেধা বঁটা প্ৰদানৰ বাবে এখন কাৰ্যালয় স্মাৰক প্ৰকাশ কৰিছে। এই স্মাৰক অনুসৰি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অনুষ্ঠিত কৰা ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক স্কুটি প্ৰদান কৰা হ'ব। বেটাৰমেণ্ট বা পুনৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকল এই বঁটাৰ বাবে বিবেচিত নহয়। যোগ্য ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষা সঞ্চালকালয়ে পৰৱৰ্তী সময়ত দিয়া লিংকৰ জৰিয়তে অনলাইন আবেদন কৰিব পাৰিব। ইপিনে, প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ডং বাণীকান্ত কাকতি মেধা বঁটা লাভ কৰা শিক্ষাৰ্থীসকল নিযুত মইনা আঁচনিৰ বাবে যোগ্য বিবেচিত নহব বুলি কাৰ্যালয় স্মাৰকত উল্লেখ কৰা হৈছে। অৱশ্যে বাণীকান্ত কাকতি মেধা বঁটাৰ বাবে আবেদন নকৰা ছাত্ৰীয়ে নিযুত মইনা আঁচনিৰ বাবে আবেদন কৰিব পাৰিব।

০০০০

ডিব্ৰুগড়ৰ বৈৰাগীমঠ নিৱাসী বিশিষ্ট চিকিৎসক ডাঃ মহম্মদ আছাদুল্লাৰ যোৱা নিশা নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৭ বছৰ।

০০০০

খেল' ইণ্ডিয়াৰ সপ্তম সংস্কৰণত অসমৰ যুৱ ভাৰোত্তোলক সকলৰ পদক যাত্ৰা অব্যাহত আছে। আজি আৰু তিনিটা পদক জয়েৰে ৰাজ্যৰ মুঠ ১৫ টা পদক সুনিশ্চিত হৈছে। বিহাৰৰ ৰাজগিৰত চলি থকা প্ৰতিযোগিতাখনত অসমৰ খেলুৱৈসকলে ছটা সোণ, তিনিটা ৰূপ আৰু ৫ টা ব্ৰঞ্জৰ পদক জয়েৰে ১৪টা পদক দখল কৰিছে। নৱাগত বক্সাৰ নিৰ্বানজ্যোতি গগৈয়ে ৭৫ কিলোগ্ৰাম শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰি ৰাজ্যৰ ১৫ সংখ্যক পদকটো সুনিশ্চিত কৰিছে।

০০০০

সমাপ্ত